بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ  মাওউদ (আঃ)ৰ তত্ত্বহুল মন্তব্যৰ আলোকত কোৰাণ কৰিমৰ ফজিলত,স্থান,মৰ্য্যদা আৰু মহানতা সম্পৰ্কে বৰ্ণনা**

**ছৈয়্দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১০ ফেব্ৰুৱাৰী ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা খোতবাত হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণ কৰিমৰ মহানতা আৰু গুৰুত্ব সম্পৰ্কে আগবঢ়োৱা মন্তব্য সম্পৰ্কে বৰ্ণনা কৰা হৈছিল। আজিও তাৰেই বাকী ৰৈ যোৱা কিছুমান মন্তব্য সম্পৰ্কে বৰ্ণনা হ'ব।

হজৰত মছীহ মাওউদ (আঃ)য়ে মালিকা ভিক্টোৰিয়াৰ ডায়মণ্ড জুবিলিৰ সময়ত মালিকাক ইছলামৰ তবলিগ কৰাৰ নিমিত্তে লিখা পুস্তিকা **তোহফা কায়ছৰিয়াত** কোৰাণ কৰিমৰ ফজিলত আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কে বৰ্ণনা কৰিছিল যে কোৰাণ কৰিম পৰিপূৰ্ণ প্ৰজ্ঞাৰ ভঁৰাল আৰু প্ৰত্যেকটো শিক্ষায় ইঞ্জিলৰ তুলনাত বেছি প্ৰকৃত নেকিৰ শিক্ষা দিয়ে। একমাত্ৰ সত্য আৰু অপৰিবৰ্তনীয় খোদাক অৱলোকন কৰাৰ প্ৰদীপ কোৰাণৰ হাততেই আছে। যদি এয়া জগতত অৱতৰণ নকৰিলহেঁতেন তেন্তে একমাত্ৰ খোদা তা'লায় জানে জগতত জীৱ পূজাৰ অভ্যাস কোনটো নম্বৰ পালে গৈ হেঁতেন। শলাগ লোৱাৰ  বিষয় হ'ল এয়া যে খোদা তা'লাৰ একত্ববাদ যি ধৰাপৃষ্ঠাৰ পৰা হেৰাই গৈছিল, সেয়া আকৌ ধৰাধামত প্ৰতিষ্ঠিত হৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে কোনে আছিল সেই যুগত, যিয়ে ইমান সাহসেৰে সৈতে ক্যায়ছৰে হিন্দক ইছলামৰ বাৰ্তা দিব পাৰিছিল বা ইছলামৰ তবলিগ কৰিবলৈ সাহস কৰিছিল। বৰ্তমানে সেই লোক সকল যিসকলৰ মাজত বিন্দুমাত্ৰ সাহস নাছিল যে ইছলাম আৰু কোৰাণ কৰিমৰ মহানতা বৰ্ণনা কৰিব। তেওঁলোকে কয় যে (নাউজুবিল্লাহ) হজৰত মছীহ মাওউদ (আঃ) আৰু জামাতে আহমদীয়াই কোৰাণ কৰিমৰ অপমান কৰি আছে। এই সংক্ৰান্তে অমুছলমান সকলে যিহেতু কোৰাণ কৰিমৰ মহানতা বাতিল কৰিব পৰা নাই সেয়ে তেওঁলোকে আমাৰ অআহমদী ভাই সকলৰ আচাৰ-আচৰণ দেখি ইছলামৰ বিৰোধীতাত ইমানেই অন্ধৰ দৰে খেপিয়াই ফুৰিছে যে নিজৰ আত্মাক পৰিতৃপ্ত কৰিবলৈ মুদ্ৰিত কোৰাণ কৰিম জ্বলাই নিজৰ মনৰ খং নিৰ্বাপিত কৰিছে। ছুইডেন আৰু

স্কেনডিনুবিয়ান দেশবোৰত এনে ধৰণৰ ঘটনা সংঘটিত হৈছে। যদি মুছলমান সকলে যুগৰ ইমামক মানি ললেহেঁতেন আৰু কোৰাণ কৰিমৰ শিক্ষা ভালদৰে বুজি লৈ ইয়াৰ ওপৰত আমল কৰিলে হয় তেন্তে অমুছলিম সকলে কেতিয়াও এনেদৰে কোৰাণ কৰিমৰ অপমান কৰাৰ সাহস নাপালেহেঁতেন। আল্লাহ তা'লা সিহঁতক বিবেক দান কৰক।

কোৰাণ কৰিমেই একমাত্ৰ এতিয়া হিদায়তৰ উপায়। এই বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ইছলাম এনেকুৱা এটা বাবৰকত আৰু খোদা উপাস্য ধৰ্ম যে যদি কোনো ব্যক্তিয়ে সত্য প্ৰাণেৰে ইয়াৰ নীতি-নিয়ম আদি পালন কৰে (যিবোৰ খোদা তা'লাৰ পৱিত্ৰ বাণী কোৰাণ কৰিমত লিপিবদ্ধ আছে) তেন্তে তেওঁ ধৰাধামতেই খোদা তা'লাক অৱলোকন কৰিব পাৰিব। সেইজনা খোদা, যিয়ে জাগতিক দৃষ্টিৰ আগত হেজাৰ হেজাৰ পৰ্দাৰ আঁৰত আছে, তাৰ চিনাকিৰ উপায় কোৰাণৰ শিক্ষাৰ বাহিৰে আন কতো নাই। কোৰাণ চৰিফে প্ৰজ্ঞাৰে সৈতে আৰু আচমানী নিচানৰ জৰিয়তে সহজ ভাৱে লোকক খোদা তা'লাৰ ফালে পথ প্ৰদৰ্শন কৰে। ইয়াৰ মাজত এটা বৰকত আৰু আগ্ৰহৰ শক্তি নিহিত আছে, যিয়ে মানৱ আত্মাক ধীৰে ধীৰে খোদা তা'লাৰ ফালে টানি লৈ যায় আৰু এটা জ্যোতিৰ লগতে শান্তি আৰু পৰিতৃপ্তি প্ৰদান কৰে। কোৰাণ চৰিফৰ ওপৰত সঁচা ঈমান স্থাপন কৰোঁতা জনে কেৱল দাৰ্শনিকৰ দৰে এয়া ধাৰণা নাৰাখে যে এই হিকমতপূৰ্ণ ব্ৰহ্মাণ্ড নিৰ্মান কৰোঁতা কোনো এজন থাকিব লাগে, বৰং সি এটা নিজস্ব দৃষ্টিশক্তি লাভ কৰি বিশ্বাসৰ নয়নযুগলেৰে অৱলোকন কৰি লয় যে সঁচাকৈয়ে এজন নিৰ্মাতা বিদ্যমান আৰু বিৰাজিত আছে। লগতে এই পৱিত্ৰ বাণীৰ আলোক লাভ কৰোঁতা সকলে কেৱল মাত্ৰ প্ৰজ্ঞাহীন সকলৰ দৰে ধাৰণা নকৰে যে খোদা ওৱাহিদ লাশৰিক হয় বৰং বহুতো উজ্জ্বল আৰু স্পষ্ট নিচানৰ সৈতে যিবোৰে তাক হাতত ধৰি এন্ধাৰৰ পৰা উলিয়াই লৈ আনে, বাস্তৱৰ দৰে উপলব্দি কৰি লয় যে প্ৰকৃততেই নিজ সত্ত্বা আৰু গুণাৱলীৰ মাজত খোদা তা'লাৰ কোনো অংশীদাৰ নাই আৰু কেৱল মাত্ৰ ইখিনিয়ে নহয় বৰং সি কাৰ্য্যকৰী ভাৱে জগতক দেখুৱাই দিয়ে যে সি খোদা তা'লাক এনেকুৱা ভাৱে আৰু ইলাহি একত্বৰ মহানতা এনেদৰে হৃদয়ত স্থান দিয়ে যে তেওঁ ইলাহিৰ সিদ্ধান্তৰ আগত গোটেই বিশ্বক মৃত পোক পৰুৱাৰ দৰে আৰু পৰি থকা মৃতদেহ বুলি ভাৱে।

ইয়াৰ পিছত কোৰাণ কৰিমত লিপিবদ্ধ শৈক্ষিক আৰু কাৰ্য্য সম্পাদন সম্পৰ্কে থকা হিদায়তৰ বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এয়া মনত ৰখা কৰ্তব্য যে কোৰাণ কৰিমত শৈক্ষিক আৰু কাৰ্য্য সম্পাদনৰ (আমল কৰাৰ) বিধান লিপিবদ্ধ আছে। ইহদিনা ছিৰাত ত শিক্ষা সম্পূৰ্ণ কৰাৰ ফালে ইঙ্গিত বহন কৰিছে; আৰু কাৰ্য্য (আমল) সম্পূৰ্ণ হোৱাৰ বৰ্ণনা ছিৰাতাল্লাজিনা আনআমতা আলায়হিম ত আছে। কৈছে যে যি ফলাফল সম্পূৰ্ণ আৰু উত্তম, সেয়া অৰ্জন কৰা যাওঁক। নিজৰ আমলৰ মান উন্নত হোৱাৰ বাবে সেই লোক সকলৰ বাটত খোজ পেলোৱাৰ দোৱা যি সকলে পুৰস্কৃত হৈছে। নবী, ছিদ্দিক, শ্বহীদ আৰু ছালেহিন সকলে আছে আৰু তেওঁলোকৰ দৃষ্টান্তও ৰৈ আছে আৰু এই যুগতও তেনেকুৱা লোক আছে, যিসকলে হিদায়তপ্ৰাপ্ত। যি সকলক আল্লাহ তা'লা পুৰস্কৃত কৰে। কৈছে যেনেকৈ এটা গছ পুলি মাটিত ৰোপন কৰাৰ পিছত সেয়া ডাল পাতেৰে ভৰি নপৰালৈকে গছটোত ফল নালাগে ঠিক তেনেদৰে যদি কোনো হিদায়তৰ উন্নত আৰু পৰিপূৰ্ণ ফলাফল নোলায় তেন্তে সেই হিদায়ত মৃত হিদায়তৰ সমান। কোৰাণ চৰিফ এখন এনেকুৱা হিদায়তৰ গ্ৰন্থ যে ইয়াৰ ওপৰত আমল কৰোঁতা জনে উচ্চ পৰ্যায়ৰ কামলিয়ত লাভ কৰি থাকে আৰু খোদা তা'লাৰ সৈতে তাৰ এটা সঁচা আৰু প্ৰকৃত সম্পৰ্কৰ সৃষ্টি হ'বলৈ ধৰে। ইমানেই যে তাৰ আমল ছালেহ গৈ গৈ এটা পৱিত্ৰ গছ সদৃশ হয় আৰু ফলে ফুলে জাতিষ্কাৰ হৈ পৰে।

কোৰাণ মজিদ এনেকুৱা এখন পৱিত্ৰ গ্ৰন্থ, এয়া সেই সময়ত জগতত অৱতীৰ্ণ হৈছিল, যেতিয়া জগতত ডাঙৰ

বিবাদ, সমৰ সংঘটিত হৈছিল আৰু বহুতো বেয়া বেয়া ঈমান আৰু বিশ্বাস প্ৰতিষ্ঠিত হৈছিল আৰু এইবিলাকৰ ওপৰত আমল কৰা হৈছিল। আল্লাহ তা'লা **জাহাৰাল ফাছাদু ফিল বাৰৰি ওয়াল বাহাৰ** এই আয়াতেৰে তাৰেই ইঙ্গিত দিছে। অৰ্থাৎ সকলো লোক, তাতে কোনো কিতাপৰ অনুসাৰীয়ে হওঁক নাইবা বেলেগ লোকেই হওঁক পঙ্কিল আৱৰ্জনাময় বিশ্বাসত লিপ্ত আছিল আৰু জগতত মহা সমৰ চলিছিল। সেই কাৰণেই আল্লাহ তা'লা সকলো বাতিল বিশ্বাস আঁতৰাই পেলাবলৈ কোৰাণ কৰিমৰ দৰে স্বয়ং সম্পূৰ্ণ এখন গ্ৰন্থ আমাৰ হিদায়তৰ নিমিত্তে প্ৰেৰণ কৰিছে। বিশেষকৈ ছুৰা ফাতিহা পাঁচ ওয়াক্ত নামাজৰ প্ৰত্যেক ৰাকাতত পঢ়া হয়, য'ত প্ৰসংগ ক্ৰমে সকলো বিশ্বাস সম্পৰ্কে উল্লেখ আছে, যেনেকৈ কৈছে- **আলহামদুলিল্লাহি ৰাববিল আলামিন** অৰ্থাৎ সমস্ত গুণাৱলী সেই খোদা তা'লাৰ অনমনীয় সৌন্দৰ্য্য, যিজনা এই ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰ্তা। **আৰ ৰহমান** সি বিনা পৰিশ্ৰমতে সৃষ্টি কৰোঁতা আৰু আমল বিহনেই প্ৰদান কৰোঁতা। **আৰ ৰাহিম** কাম অনুযায়ী ফল দান কৰোঁতা, দোৱা কবুল কৰি লওঁতা। সি **মালিকে ইয়াও মিদ্দিন** হয়, শাস্তি আৰু পুৰস্কাৰ প্ৰদানৰ দিনৰ মালিক। দণ্ড আৰু পুৰস্কাৰ এই জগতততো আছে আৰু পৰকালততো আছে। কৈছে যে এই চাৰিটা পংক্তিত গোটা বিশ্বৰ পৃথক পৃথক ফিৰকাৰ বৰ্ণনা দিয়া হৈছে। গতিকে যদি মানুহে চিন্তামগ্ন হৈ পাঁচ ওয়াক্ত নামাজত এই পংক্তি বিলাক আওৰায় তেন্তে মাৰিফত ভেদ কৰিব পাৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ কৰিম এটা মজিজা স্বৰূপ। মজিজা এনেকুৱা এটা বস্তুক কোৱা হয় যে বিৰোধী পক্ষই ইয়াৰ তুলনাত একো দৃষ্টান্ত আগবঢ়াব নোৱাৰে। কোৰাণ কৰিমৰ মজিজা আৰবৰ সকলো বাসিন্দাৰ দৃষ্টিগোচৰ কৰা হৈছে। কিন্তু আৰবৰ বাসিন্দা সকলে ইয়াৰ আন এটা দৃষ্টান্ত আগবঢ়াবলৈ সক্ষম হোৱা নাই। গতিকে মজিজাৰ গূঢ়াৰ্থ বুজিবলৈ কোৰাণ কৰিমৰ বাণী অতি স্পষ্ট উদাহৰণ। এই গ্ৰন্থৰ বাণী অতি সহজ আৰু বোধগম্য। এয়া এনেকুৱা প্ৰশ্ন বিহীন মজিজা হয় যে যাৰ আজি তেৰ শ বছৰ পাৰ হৈ যোৱাৰ পিছতও এতিয়ালৈকে কোনেও ইয়াৰ মোকাবিলা কৰিব পৰা নাই আৰু কাৰো শক্তি নাই যে ইয়াৰ মোকাবিলা কৰিব। এই গ্ৰন্থই মজিজা স্বৰূপৰ ভৱিষ্যতবাণী বোৰকও মজিজাৰ দৰে ব্যাখ্যাত বৰ্ণনা কৰিছে। গতিকে এই মজিজাৰ মহত্বপূৰ্ণ উদ্দেশ্য হ'ল হ'ক আৰু বাতিল। সঁচা আৰু মিছাৰ মাজত স্পষ্ট বিভাজন কৰি দেখুওৱা। ধৰ্মৰ আচল সত্যতা খোদা তা'লাক চিনাক্তকৰণৰ লগত সম্পৰ্কিত। সত্য ধৰ্মৰ এয়া বৈশিষ্ট থকা জৰুৰী যে ইয়াৰ মাজত যেন এনেকুৱা নিচান পোৱা যায় যিয়ে খোদা তা'লাৰ অস্তিত্বৰ ওপৰত এটা দৃঢ় আৰু বিশ্বাসী প্ৰমাণ দাঙি ধৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যি ধৰ্মই খোদা তা'লাক চিনাক্তকৰণৰ বিষয়ত গৈ নীৰৱ থাকে সেই ধৰ্ম জীৱিত নহয়, সেয়া মৃত ধৰ্ম। তাৰ পৰা কোনেও নিজৰ মাজত পৱিত্ৰ পৰিৱৰ্তন সাধন কৰিব নোৱাৰে, আকৌ কথা হ'ল এই বিষয়ে কোনে শুদ্ধ সিদ্ধান্ত দিব পাৰিব যে এই কিতাপ খনত যিবোৰ গাম্ভিৰ্য্যপূৰ্ণ কথা লিখা আছে। সেইবোৰ প্ৰকৃততেই ইলহামী কথা হয়? হাস্তিবাৰি তা'লাৰ ওপৰত সেই ধৰ্মই কেতিয়া কোনো প্ৰমাণ এটা দিব পাৰিব? আৰু হ'ক সন্ধানীয়ে কেতিয়া সেই কথাৰ পৰা পূৰ্ণ প্ৰশান্তি লভিব যে নিশ্চয় এই প্ৰজ্ঞাপূৰ্ণ কথাবিলাক অৱশ্যই খোদা তা'লাৰ আয়াত (বাণী) আৰু কেতিয়া নিশ্চিত হ'ব পাৰিব যে এই কথাবোৰ সম্পূৰ্ণ ভাৱে ভুলৰ পৰা পৱিত্ৰ? গতিকে ধৰ্মই যদি কেৱল মাত্ৰ কেইটামান কথাক প্ৰজ্ঞা আৰু দৰ্শনৰ ফালে জাপি দি নিজৰ সত্যতা প্ৰমাণ কৰিব বিচাৰে আৰু আচমানী নিচান আৰু মজিজা দেখুৱাবলৈ অপৰাগ হয় তেন্তে এনেকুৱা ধৰ্মৰ অনুসাৰী সকল প্ৰৱঞ্চিত হ'ব আৰু তেওঁলোকে এন্ধাৰতে খেপিয়াই ফুৰি মৰিব। যেতিয়ালৈকে এটা ধৰ্মই এই বিষয়ে দায়িত্ব নল'ব যে সি খোদা তা'লাৰ সত্তাক নিশ্চিত ভাৱে প্ৰমাণ কৰি দেখুৱাব তেতিয়ালৈকে সেই ধৰ্মৰ একো অস্তিত্বই নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়া হ'ল সেই স্থান যি আমি অৰ্জন কৰিবলৈ চেষ্টা কৰা উচিত। খোদা

তা’লাক নিচানৰ জৰিয়তে আৰু ব্যক্তিগত সম্পৰ্কৰ মাজেদি চিনি লওঁক। তেতিয়াহে আল্লাহ তা’লাৰ আচল ৰূপ মানুহৰ ওপৰত উন্মুক্ত হ’ব। আল্লাহ তা’লাৰ কৃপাত জামাতে আহমদীয়াৰ মাজত এনেকুৱা উদাহৰণ আছে যে ধৰ্ম নমনা আৰু খোদাৰ অস্তিত্বক বিশ্বাস নকৰা সকলকও খোদাৰ সত্তাত বিশ্বাস কৰোৱা হৈছে। প্ৰজ্ঞাপূৰ্ণ প্ৰমাণ দিয়াৰ পিছত যেতিয়া সিহঁতক নিচান দেখুওৱা হৈছে আৰু ঘটনা বৰ্ণনা কৰা হৈছে তেতিয়া সিহঁতে পৰাভূত হৈ ধৰ্মক মানি লৈছে আৰু ইছলাম গ্ৰহণ কৰিছে।

বেলজিয়ামত এজন নাস্তিক বন্ধুৱে বয়াত কৰিছে আৰু কৈছে যে যেতিয়া মই খোদাৰ সত্তাত বিশ্বাস স্থাপন কৰিলো তেতিয়া মোৰ বাবে আহমদীয়তৰ মাজেদি প্ৰকৃত ইছলাম গ্ৰহণ নকৰাৰ উপায় নথকা হ’ল। যিহেতু এই পথ মোক আহমদীয়তে দেখুৱালে সেয়ে মই আহমদী মুছলমান হৈছো। পৰিতাপৰ বিষয় হ’ল এয়া যে আমাৰ বিৰুদ্ধবাদী সকলে এই মাৰিফতৰ কথাবোৰ শুনিব নিবিচাৰে আৰু আমাৰ ওপৰত দোষ জাপি দিয়ে যে আমি কোৰাণ কৰিমৰ লিখনি সাল-সলনি কৰিছোঁ।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ কৰিমে প্ৰত্যেক কাহিনীক ৰছুলুল্লাহ (ছাঃ)ৰ নিমিত্তে ভৱিষ্যত বাণী স্বৰূপ নিৰ্ধাৰণ কৰিছে আৰু সেই কাহিনীৰ ভৱিষ্যত বাণীবোৰ স্পষ্ট ভাৱে পূৰ্ণও হৈছে। গতিকে কোৰাণ কৰিম মাৰিফত আৰু সত্যতাৰ এটা সাগৰ সদৃশ আৰু ভৱিষ্যতবাণীৰ মহাসাগৰ স্বৰূপ। এয়া সম্ভৱ নহয় যে কোনো ব্যক্তিয়ে কোৰাণ কৰিম অবিহনে খোদা তা’লাৰ ওপৰত পূৰ্ণ ঈমান স্থাপন কৰিব পাৰে। আৰু এই গুণ বিশেষকৈ কোৰাণ চৰিফতেই আছে যে খোদা আৰু মানৱৰ মাজত থকা আঁৰ কাপোৰ আঁতৰি যায়। কোৰাণ কৰিমৰ দুটা ভাগ আছে, তাৰে এটা হ’ল কাহিনী আৰু আনটো হ’ল আদেশ। কোনো কোনো কথা কাহিনী ৰূপে বৰ্ণিত হৈছে আৰু কিছুমান আহকামে হিদায়তৰ ৰঙত বৰ্ণিত হৈছে। যিসকলে ইয়াত বিবেক প্ৰয়োগ নকৰে, সিহঁতে কোৰাণ কৰিমত মতানৈক্যৰ অৱতাৰণা কৰে।

এই বিষয়ে বৰ্ণনা ইনশা আল্লাহ আগলৈ চলি থাকিব। হজৰত মছীহ মাওউদ (আঃ)ৰ এই বিষয়ে থকা বৰ্ণনাবোৰ মাজে সময়ে আৰু বৰ্ণনা কৰা হ’ব। আল্লাহ তা’লা আমাক কোৰাণ কৰিমৰ শিক্ষাৰ ওপৰত শুদ্ধ ভাৱে আমল কৰাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا

وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ

وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى

وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ

لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 10 FEBRUARY 2023**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**